# ভাইৰাচৰ আত্মকথা

অংশুমান হাজৰিকা

নমস্কাৰ, মোৰ নাম ক্লপ ৰেনচমৱেৰ (clop ransomware)। মোৰ জন্ম হৈছিল ২০১৯ চনৰ শেষৰ ভাগৰ পিনে, পিছে আপোনালোকে ভাবি থকাৰ দৰে মই আপোনাৰ শৰীৰটোৰ ক্ষতি কৰিব নোৱাৰো, কম্পিউটাৰৰ ক্ষতি কৰাহে মোৰ কাম, মানে আপোনালোকৰ কোটি কোটি টকাৰ ক্ষতি কৰি মোৰ বৰ ভাল লাগে। আমি গোটেই পৰিয়ালটোৱেই এই কামেই কৰো, নকৰিওটো উপায় নাই দিয়ক চোন, আপোনালোকেই আমাক জন্ম দিয়ে যিহেতু। আমাৰ পৰিয়ালৰ ইতিহাসৰ বিষয়ে কবলৈ গলে মোৰ ককাৰো আজোককাৰো ককাৰ নাম আছিল ক্ৰিপাৰ। আপোনালোকৰে এজন বৰ থমাচে তেখেতক জন্ম দিছিল ১৯৭১ চনত। সেই ১৯৭১ চনৰ পৰাই আমাৰ পৰিয়ালৰ ইতিহাস আৰম্ভ হয়। তেখেত পিছে বৰ বেয়া আছিল, কাৰো ভবাধৰণে একো ক্ষতি কৰিবই নোৱাৰিলে। তাৰ পিছতে ১৯৭৪ চনত ৰেবিট ভাইৰাচ ককাইহে যি অলপ পাৰে কৰিছিল, তেওঁ নিজকে নকল কৰি ইমান ভাল পাইছিল যে শেষত কম্পিউটাৰেই কাম নকৰা হৈ পৰিছিল, ইমান ক্ষিপ্ৰগতিৰে কাম কৰিব পাৰিছিল বাবেই তেখেতক ৰেবিট নামেৰে অলংকৃত কৰা হৈছিল।




সময় বাগৰাৰ লগে লগে আমাৰ পৰিয়ালৰ বংশ কুটুম বাঢ়িবলৈ ধৰিলে। এতিয়া মোৰ কথাই ধৰক, আপোনালোকে হয়তো মোক এতিয়ালৈকে কম্পিউটাৰ ভাইৰাচ বুলি ভাবি আছিল, কিন্তু মই এক ৰেনচমৱেৰহে, ভাইৰাচ পৰিয়ালটোৱে আন প্ৰগ্ৰেমবোৰক সংক্ৰমিত কৰে আৰু আন চিষ্টেমলৈ/কম্পিউটাৰলৈ বিয়পিব পাৰে, সিহঁতবোৰ এটা ফাইলৰ লগত সংলগ্নহৈ থাকে আৰু ফাইলটো খোলাৰ লগে লগে সেই ভাইৰাচটোক যিটো কাম কৰিবলৈ বনোৱা হৈছিল, সি সেই কাম সম্পন্ন কৰে, লাগিলে

সেইতো কম্পিউটাৰটো ধ্বংস কৰাই হওক, অথবা গোটেই ফাইলখিনি ডিলিট কৰি পেলোৱাৰ কামেই হওক! আমি পিছে তেওঁলোকৰ পৰিয়ালটোতকৈ অলপ বেলেগ, আমাৰ পৰিয়াল আৰু আপোনালোকৰ সেই অপহৰণকাৰীৰ মাজত বৰ বিশেষ একো পাৰ্থক্য নাই বুলিয়ে কব পাৰে। অপহৰণকাৰীয়ে যিদৰে আপোনাৰ নিজৰ মানুহ এজনক ৰাখি আপোনাৰ পৰ ধনৰ দাবী কৰে, ঠিক তেনেদৰেই আমাৰ বন্ধু হেকাৰ সকলে আমাৰ জৰিয়তে আপোনাৰ কম্পিউটাৰৰ ফাইলবোৰ খুলিব নোৱাৰা কৰি (যাক এনক্ৰিপ্ট কৰি পেলোৱা বুলি কোৱা হয়) ধনৰ দাবী কৰে। আমাৰ আন এক দূৰ সম্পৰ্কীয় ভাইটিৰ পৰিয়াল এটি হ' ল এডৱেৰ। সিহঁতৰ পৰিয়ালটো তুলনামূলক ভাবে নিৰাপদ যদিও এডৱেৰে অবাঞ্চিত বা ক্ষতিকাৰক বিজ্ঞাপন দেখুৱায়। এই ধৰক, আপুনি কম্পিউটাৰটো ব্যৱহাৰ কৰি আছে, আৰু হঠাতে স্ক্ৰীণত কিবা এটা বিজ্ঞাপন ওলাই গ' ল, সেইটো আপুনি বন্ধ কৰে মানে আন এটা ওলাল। আৰু কিবা কাৰণে ভুলতে যদি আপোনাৰ আঙুলি তাৰে কোনোবা এটি বিজ্ঞাপনটোত টিপ খালে, তেতিয়াটো আমাৰ এই মালৱেৰ বংশৰ কোন আহি আপোনাৰ কম্পিউটাৰত বহিবহি, কোনেও টলকিবও নোৱাৰিব।




কেবল ইহতেইনে, আমাৰ বংশত ৱৰ্মৰ পৰিয়াল আছে, যাৰ কামেই হ' ল নিজে নিজে ফাইলবিলাকৰ লগত এটাৰ পৰা আন এটি কম্পিউটাৰলৈ বিয়পা, কিন্তু ভাইৰাচৰ পৰিয়ালটোতকৈ ইহঁত বেছিহে উন্নত। যিহেতু ইহঁতে আন প্ৰগ্ৰেমবোৰক সংক্ৰমিত নকৰে, সেয়েহে আপোনালোকে ইহত গৈছে বুলি সাধাৰণতে ধৰিবই নোৱাৰে। গোটেই কাম শেষ কৰাৰ পিছতহে ইহতযে আপোনাৰ কম্পিউটাৰৰ ঘৰৰ আগচোতালতে বহি আছে, সেয়া গম পোৱা যায়। বাৰু, আপোনালোকৰ সেই গ্ৰীক যুদ্ধৰ ট্ৰ' জান ঘোৰাৰ কথা মনত আছে নে? আমাৰ বংশতো তেনেকুৱা এক ট্ৰ' জান ঘোৰাৰ পৰিয়াল আছে, সাজি কাচি ইমান ভব্য গম্য হৈ থাকে যে, ধৰিবই নোৱাৰিব আপোনালোকে। পিছে সেই অতীতৰ কাঠৰ ট্ৰ'জান ঘোঁৰা যিদৰে নিজেই কলৈকো যাব নোৱাৰিছিল, এওঁলোকেও নিজে কলৈকো

যাব নোৱাৰে, আপোনালোকে নি বেলেগ কম্পিউটাৰত থ' লেহে এওঁলোকে আপোনালোকৰ চিষ্টেম ধ্বংস কৰিব পাৰে। আমি গৰ্ব কৰা আমাৰ বংশৰ আৰু দুটি পৰিয়াল আছে, স্পাইৱেৰ আৰু ফাইলবিহীন মালৱেৰ। স্পাইৱেৰৰ কামৰ কথা কবলৈ পালে আমি বৰ ভাল পাও, সিহঁতে আপোনালোকৰ কাৰ্য্যকলাপ নিৰীক্ষণ কৰিব পাৰে। আপোনালোকে ব্যৱহাৰ কৰা কিষ্ট্ৰ' কসমূহ মনত ৰাখি, হেকাৰ সকলক ব্যৱহাৰকাৰীৰ নাম, পাছৱৰ্ড, আৰু ব্যক্তিগত ডাটালৈ প্ৰৱেশ প্ৰদান কৰিব পাৰে। আনহাতে ফাইলবিহীন মালৱেৰৰ পৰিয়াল অকৌ বহুত আগবঢ়া, ইহত পৰম্পৰাগত মালৱেৰৰ দৰে নহয়, ইহতে ডিভাইচসমূহক সংক্ৰমিত কৰিবলৈ এক্সিকিউটেবল ফাইলসমূহ ব্যৱহাৰ কৰে, ফাইলবিহীন মালৱেৰে ফাইলসমূহ বা ফাইল চিষ্টেমত প্ৰত্যক্ষভাৱে প্ৰভাৱ পেলোৱাৰ সলনি মাইক্ৰ'ছফ্ট মেক্ৰ', পাৱাৰচেল, ডব্লিউ. এম. আই., আৰু অন্য চিষ্টেম সঁজুলিৰ দৰে নন-ফাইল বস্তু ব্যৱহাৰ কৰে। ফাইলবিহীন মালৱেৰ আক্ৰমণৰ এটা উল্লেখযোগ্য উদাহৰণ আছিল 'অপাৰেচন ক'বাল্ট কিটি, য'ত অ'চিয়েন ল'টাছ গ্ৰুপে কেইবাটাও কম্পেনীৰ কম্পিউটাৰত প্ৰৱেশ কৰি প্ৰায় ছমাহ ধৰি লুকাই থকা কাৰ্য্যকলাপ চলাই আছিল।

আমাৰ গোটেই বংশটোৱেই এতিয়ালৈকে সম্পূৰ্ণ মানব জাতিৰ কিমান ক্ষতি কৰিছে, সেইকথা সঠিককৈ কোৱা টান যদিও, কেইটামান লেখত লবলগীয়া ঘটনাৰ কথা কও শুনক:

- মাইডুম: ইতিহাসত এসময়ৰ আটাইতকৈ ভয়াৱহ কম্পিউটাৰ ৱৰ্ম আছিল মাইডুম। ২০০৪ চনত আনুমানিক ৩৮ বিলিয়ন ডলাৰৰ ক্ষতিসাধন কৰিছিল, বৰ্তমানৰ মুদ্ৰাস্ফীতিৰ সৈতে সেই হিচাপ মিলালে আজিৰ হিচাপত ই প্ৰায় ৫২.২ বিলিয়ন ডলাৰৰ ক্ষতিসাধন কৰিছিল। আজিৰ দিনতো প্ৰায় প্ৰতিবছৰে মাইডুমে নিজৰ ১২ বিলিয়ন কপি ইমেইলৰ যোগেদি প্ৰেৰণ কৰে। প্ৰতিদিনে প্ৰায় ৩.৪ বিলিয়ন ফিচিং ইমেইল গোটেই পৃথিৱীত প্ৰেৰণ কৰা হয়, তাৰ প্ৰায় ১% ইমেইল এই মাইডুমৰে সৃষ্টি।
- ২০০৩ চনৰ ছ' বিগ ৱৰ্মে আজিলৈকে প্ৰায় ৩০ বিলিয়ন ডলাৰৰ ক্ষতি সাধন কৰিছে।

- তাৰপিছতে আছে ক্লেজ। আজিলৈকে প্ৰায় ২০ বিলিয়ন ডলাৰৰ ক্ষতি সাধন কৰা এই ৱৰ্মে ২০০১ চনত জন্মলাভ কৰিছিল। ওপৰৰ মাইডুম আৰু ছবিগৰ দৰেই ক্লেজো ইমেইলৰ যোগেদিয়েই আন কম্পিউটৰলৈ বিয়পিব পাৰে।
- ২০০০ চনৰ আই লাভ য়ু ভাইৰাচৰ কথা কেনেকৈ পাহৰিব পাৰি! প্ৰায় ১৫ বিলিয়ন ডলাৰৰ ক্ষতি কৰা এই আই লাভ য়ু ভাইৰাচে ইমেইলৰ যোগেদি এখন ভুৱা 'প্ৰেম চিঠি' প্ৰেৰণ কৰিছিল, যাক দেখাত সাধাৰণ টেক্সট ফাইলৰ দৰে লাগিছিল। ওপৰৰ মালৱেৰ কেইটাৰদৰে পিছে আমি এওঁৰ সৃষ্টিকাৰীৰ নাম নজনাকৈ নাই। আই লাভ য়ু ভাইৰাচক সৃষ্টি কৰিছিল ফিলিপাইনচৰ ২৪ বছৰীয়া যুবক অনেল ডি গুজমেনে।
- সৌ সিদিনা, মোতকৈ মাথোঁ কিছুদিন আগতে জন্ম হোৱা ৱানাক্ৰাই দাদাৰ কথা কবলৈ ললে মোৰ গৰ্বও হয়, হিংসাও লাগে। প্ৰায় ১৫০খন দেশত ক্ষতি সাধন কৰি সম্পূৰ্ণ পৃথিৱীত ৱানাক্ৰাই ৰেনচমৱেৰে আপোনালোকৰ প্ৰায় ৪ বিলিয়ন ডলাৰ লোকচান কৰি থৈছে।

এইদৰে মাজে মাজে অতীতলৈ ঘূৰি চাই স্মৃতি ৰোমন্থন কৰি বৰ ভাল লাগে, পিছে তাতোকৈ বেছি ভাল লাগে যেতিয়া পঢ়িবলৈ পাও, ২০৩১ চনৰ শেষলৈ আমি আপোনালোকৰ প্ৰায় ২৬৫ বিলিয়ন ডলাৰৰ ক্ষতি সাধন কৰিবলৈ সক্ষম হম। কবলৈ গ' লে আপোনালোকৰ বাবেই আমাৰ জন্ম, গতিকে আপোনালোক থকালৈকে আমিও যে আপোনালোকৰ লগতে থাকিম সেইটো একেবাৰে ধুৰূপ, পিছে আজিৰ পৰা ২০০ বছৰৰ পিছত আমিয়ে মানৱ জাতিৰ মৃত্যুৰ কাৰণৰ লগতে সাক্ষী হৈও যদি ৰও, তাতো আচৰিত হবলগীয়া একো নাথাকিব!




*****************